## শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা
## মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ ষষ্ঠ    বিষয় ঃ ভাষা-১ (অসমীয়া)    চতুৰ্থ সাময়িকী (অক্টোবৰ, নৱেম্বৰ আৰু ডিচেম্বৰ), ২০১৮ ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - ব্যাৱহাৰিক ব্যাকৰণ (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

**শিকন ফলাফলৰ উপক্ষেত্ৰ ঃ**

➩ স্থানীয় উপ-ভাষাত থকা বিশেষ্য পদ আৰু ক্ৰিয়া পদবোৰৰ মান্যৰূপ জানিব পাৰিব।

➩ উপ-ভাষাৰ শব্দবোৰৰ মান্যৰূপত হোৱা ৰূপ পৰিবৰ্তন জানি নিজৰ শব্দ ভাণ্ডাৰ বৃদ্ধি কৰিব পাৰিব।

➩ 'মহো-হো' গীতটোৰ মাজেৰে ছাত্ৰ-ছাত্ৰীসকলৰ উপ-ভাষাৰ অধ্যয়নৰ আগ্ৰহ বাঢ়িব, লগতে বিবিধ লোক উৎসৱৰ বিষয়ে জানিবৰ আগ্ৰহ হ'ব।

➩ উপভাষাৰ লগত চিনাকি হৈ তাৰ গীত-মাতৰ চৰ্চাৰ মাজেৰে সামাজিক ঐক্য স্থাপন কৰিব পাৰিব।

**শৈক্ষিক দিনপঞ্জী অনুসৰি চতুৰ্থ সাময়িকী (অক্টোবৰ, নৱেম্বৰ আৰু ডিচেম্বৰ)লৈকে সামৰা পাঠসমূহ ঃ**

| | | |
|---|---|---|
| ক) আৱিষ্কাৰৰ কাহিনী | - | পাঠ নং ১৩ |
| খ) স্কাউট আৰু গাইড | - | পাঠ নং ১৪ |
| গ) মহো-হো গীত | - | পাঠ নং -১৫ |

**পাতনি ঃ**

এই সমল সামগ্ৰীত "শিক্ষাৰ অধিকাৰ আইন ২০০৯" অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে প্ৰাথমিক শিক্ষা বাধ্যতামূলক হোৱাটো নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে।

ভাষা শিক্ষণৰ মূল উদ্দেশ্যই হৈছে ছাত্ৰ-ছাত্ৰীৰ ভাষাৰ চাৰিওটা কৌশল (শ্ৰৱণ, কথন, পঠন আৰু লিখন)ৰ বিকাশ ঘটোৱা। পৰ্যায়ক্ৰমে ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম শ্ৰেণীৰ পৰাই লিখন কৌশল আহৰণ কৰে আৰু অষ্টম শ্ৰেণীত পূৰ্ণ পৰ্যায়ৰ লিখন কৌশল আয়ত্ত কৰিব লাগে। তেওঁলোকৰ বয়সৰ লগত খাপ খোৱা গল্প, কবিতা, প্ৰবন্ধ ৰচনা, জীৱনী আদি পঢ়ি নিজা শৈলীৰে লিখিব পাৰিব লাগে।

অসমীয়া ভাষাৰ সমৃদ্ধিত উপভাষা সমূহৰ অৱদান অপৰিসীম। গতিকে উপ-ভাষাসমূহৰ শব্দসমূহৰ মান্যৰূপ জনা তথা সেইবোৰৰ বৈয়াকৰণিক দিশবোৰ চৰ্চা কৰি মান্য ভাষাত হোৱা তাৰ পৰিৱৰ্তন জানিব পাৰিব। ভাষাৰ লগত সংস্কৃতিৰ যোগসূত্ৰ যথেষ্ট নিবিড়। 'মহো-হো' গীতটো থলুৱা উপভাষাৰ হ'লেও কাব্যিক সৌন্দৰ্যৰে পৰিপুষ্ট; সেয়েহে এই পাঠটো পঠন-পাঠনৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলে বৈয়াকৰণিক দিশবোৰ সম্পৰ্কে অৱগত হ'ব আৰু মাতৃভাষাত সেইবোৰৰ মান্যৰূপ সম্বন্ধে জানিবলৈ পাৰিব। শব্দসমূহৰ চৰ্চাৰ মাজেৰে ছাত্ৰ-ছাত্ৰীসকলে উপভাষাৰ ৰস আস্বাদন কৰাই নহয় আনকি তেওঁলোকৰ মান্য ভাষাৰ শব্দ ভাণ্ডাৰ চহকী কৰিব পাৰিব। ইতিমধ্যেই হৈ যোৱা গুণোৎসৱৰ মূল্যায়ন পৰ্যৱেক্ষণ কৰি দেখা পোৱা গৈছে যে ষষ্ঠ শ্ৰেণীৰ কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে এতিয়াও বিভিন্ন পাঠত থকা ব্যাৱহাৰিক ব্যাকৰণৰ বিষয়ে, যেনে, - পাঠটোত থকা সমাৰ্থক শব্দ, বিশেষ্যপদ, ক্ৰিয়াপদ, উপভাষাৰ শব্দবোৰৰ মান্যৰূপ আদিৰ বিষয়ে শুদ্ধভাৱে নজনাৰ উপৰি সেইবোৰ নিজ ভাষাত প্ৰয়োগ কৰিব পৰা নাই। শিকনৰ এই ধূসৰ ক্ষেত্ৰসমূহ চিনাক্ত কৰি ছাত্ৰ-ছাত্ৰীৰ এইবোৰ দিশৰ বিকাশৰ বাবে বিশেষভাৱে যত্ন লোৱা বাঞ্ছনীয়। এই কাৰ্যৰ বাবে শিক্ষক-শিক্ষয়িত্ৰীসকলক যথেষ্ট অনুশীলনৰ প্ৰয়োজন হ'ব। পাঠ্যপুথিত উল্লিখিত অনুশীলন বা ক্ৰিয়া-কলাপৰ উপৰি আমি শিক্ষকসকলে নিজপ্ৰচেষ্টাৰে কিছুমান শিকন পৰিকল্পনা হাতত ল'ব পাৰোঁ। ছাত্ৰ-ছাত্ৰীসকলে যাতে ব্যাৱহাৰিক ব্যাকৰণৰ জ্ঞান শুদ্ধ ৰূপত আয়ত্ত কৰি ব্যৱহাৰ কৰিব পাৰে, তাৰ পৰি লক্ষ্যত ৰাখি যথাবিহিত শিকন পৰিকল্পনা, ক্ৰিয়া-কলাপেৰে এই সমল সামগ্ৰী প্ৰস্তুত কৰা হৈছে।

**ওপৰত উল্লিখিত শিকন ফলাফলসমূহৰ গুৰুত্ব অপৰিসীম ঃ**

➪ 'মহো-হো' গীতৰ লেখীয়া উপভাষাত থকা শব্দসমূহৰ মান্যৰূপ জানিব পাৰিব।

➪ উপভাষাত থকা বিশেষ্যপদ, ক্রিয়াপদ, বিভক্তি আদি চিনাক্ত কৰি সেইবোৰৰ মান্য ৰূপৰ অৰ্থ জানিব পাৰিব।

➪ উপভাষাত থকা শব্দবোৰৰ মান্য ভাষাৰ প্রতিশব্দৰ লগত থকা হোৱা মিল বা অমিলবোৰ লক্ষ্য কৰি ভাষা সম্বন্ধে জ্ঞান আয়ত্ত কৰিব পাৰিব।

➪ বাৰেৰহণীয়া অসমীয়া সংস্কৃতিৰ লগত পৰিচয় হ'ব পাৰিব।

➪ উপভাষাসমূহৰ শব্দবোৰৰ মান্যৰূপ জানি সেইবোৰ বাক্যত প্রয়োগ কৰিব পাৰিব।

**এই সমল সামগ্রীৰ পৰা আমি শিক্ষক হিচাপে কি শিকিব পাৰিম ?**

➪ উপভাষাত থকা শব্দসমূহৰ মান্যৰূপ জানিব পাৰিম।

➪ উপভাষা আৰু মান্য ভাষাত থকা বৈয়াকৰণিক বিবিধতা জানিব পাৰিম।

➪ শ্রেণীকক্ষত লোকসংগীতৰ চৰ্চাৰে এক আনন্দদায়ক পৰিৱেশ সৃষ্টি কৰিব পাৰিম।

➪ উপভাষাৰ চৰ্চাৰ মাজেৰে মান্য ভাষাৰ শব্দ ভাণ্ডাৰ বৃদ্ধি কৰিব পাৰিম।

➪ বিবিধ উপভাষাৰ চৰ্চাৰ মাজেৰে ছাত্র-ছাত্রীসকলৰ মাজত সামাজিক ঐক্য স্থাপন কৰিব পাৰিম।

➪ স্ব-মূল্যায়নৰ মাজেদি শিক্ষণ-শিকন প্রক্রিয়াত থকা দোষ-ত্রুটিসমূহ আঁতৰাব পাৰিম।

**লিখন কৌশল বিকাশৰ ব্যৱস্থাৱলী ঃ**

শিকন ফলাফলৰ ধূসৰ ক্ষেত্রসমূহৰ বিকাশ সাধন কৰিবলৈ ক্ষেত্র অধ্যয়ন, ক্রিয়া-কলাপ, অনুশীলন আদিৰ সহায় লোৱা হৈছে।

**এই সমলটোত ছাত্র-ছাত্রীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্রক্রিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপতে উপস্থাপন কৰা হ'ল -**

| শিকনৰ ফলাফল | সামগ্রী | শিকন প্রক্রিয়া | প্রশ্নাৱলী | মূল্যায়ন |
|---|---|---|---|---|
| ক) উপভাষাত থকা শব্দবোৰৰ মান্যৰূপ জানিব পাৰিব। | * পাঠ্যপুথি<br>* উপভাষাত থকা শব্দবোৰৰ মান্যৰূপৰ তালিকা। | * এককভাৱে<br>* যুৰীয়াভাৱে<br>* দলগত ভাৱে | ছাত্র-ছাত্রীৰ শিকনৰ দৃঢ়ীকৰণৰ বাবে তলত দিয়া প্রশ্নাৱলী কৰি চাওঁ আহক—<br>* স্থানীয় উপভাষাৰ গীত সংগ্রহ কৰি সেইবোৰত থকা শব্দসমূহৰ মান্যৰূপৰ তালিকা প্রস্তুত কৰা।<br>* 'মহো-হো' গীতৰ লেখীয়া থলুৱা গীতৰ শব্দসমূহৰ অসমীয়া মান্যৰূপত অৰ্থ লিখা।<br>* 'মহো-হো' গীতৰ লেখীয়া তোমাৰ অঞ্চলত থকা লোকগীত সংগ্রহ কৰি লিখা আৰু গোৱা।<br>* বাওঁফালৰ উপভাষাৰ শব্দৰ লগত সোঁফালৰ মান্যভাষাৰ ৰূপবোৰ ৰেখাৰে মিলোৱা।<br>উপভাষা — মান্যভাষা<br>মাইৰ্‌বা — দিলে<br>দিলাক — মাৰিবলৈ<br>গেল — খালোদেই<br>খাইলোৰে — গ'ল<br>নেদি — নিদি | অবিৰত আৰু সামগ্রিক মূল্যায়ন |
| খ) উপভাষাত থকা শব্দ সমূহত ব্যৱহাৰ হোৱা বিভক্তি, বিশেষ্যপদ, ক্রিয়াপদ, সমাৰ্থক শব্দ আদি মান্যভাষাত তাৰ পৰিৱৰ্তনসমূহ জানিব পাৰিব। | * বিবিধ লোকসংগীতৰ পুথি, চক, ডাষ্টাৰ | | | |
| গ) উপভাষাৰ গীতসমূহ অনুশীলন কৰি সেইবোৰ বিভিন্ন উৎসৱত পৰিৱেশন কৰি সংৰক্ষণৰ দিহা কৰিব পাৰিব। | পাঠ্যপুথি | | | |

**ক্ষেত্ৰ অধ্যয়ন ঃ**

গজেন্দ্ৰ পাঠক জন্মসূত্ৰে বৰপেটা জিলাৰ যদিও, তেখেতে যোৰহাট জিলাৰ বাহনা অঞ্চলৰ ভিতৰুৱা গাঁও এখনৰ উচ্চ প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা কৰে। শ্ৰীপাঠক ছাৰ সু-শিক্ষকেই নহয়, এজন কামৰূপী লোকগীতৰ ভাল গায়কো। তেখেতে ‘মহো-হো’ গীতটো পঢ়াবলৈ যাওঁতে কি কৰিলে চাওঁ আহক —

তেখেতে ‘মহো-হো’ গীতটো পাঠ্যসূচীত পাই খুব আগ্ৰহেৰে পাঠটোত নো কি আছে — তাক শিকাবলৈ গৈ প্ৰথমতে ছাত্ৰ-ছাত্ৰীসকলক তলৰ শব্দবোৰ বোৰ্ডত লিখি দেখুৱালে আৰু সোঁফালে সেই শব্দবোৰৰ সাম্ভাব্য মান্যৰূপ কি হ’ব ছাত্ৰ-ছাত্ৰীসকলৰ পৰা জানিবলৈ অপেক্ষা কৰি ৰ’ল। শব্দবোৰ ১ নং তালিকাত দিয়া হ’ল—

| ১ নং তালিকা | |
|---|---|
| উপভাষাৰ শব্দ | মান্যভাষাৰ শব্দ |
| মাইৰ্‌বা | মাৰিবলৈ |
| লউ | ল |
| গাও | গা/শৰীৰ |
| চাকা চাকা | চক্‌চকীয়া |
| নেদি | নিদি |

ছাত্ৰ-ছাত্ৰীসকলে এনে আচহুৱা শব্দবোৰ দেখি সেইবোৰৰ অৰ্থ উলিয়াবলৈ টান পালে।

এইবাৰ তেখেতে গীতটো সুৰ লগাই গাই যাওঁতে ছাত্ৰ-ছাত্ৰীসকলে শব্দবোৰৰ অৰ্থবোৰ বুজাৰ দৰে অনুভৱ কৰিলে। এতিয়া তেখেতে তেওঁলোকৰ সাধাৰণ জ্ঞানৰ ভিত্তিত শব্দবোৰৰ মান্য প্ৰতিশব্দ নিজ বহীত লিখিবলৈ দিলে। ছাত্ৰ-ছাত্ৰীসকলে মান্য শব্দবোৰ উলিয়াই বহীত লিখিলে। পাঠক ছাৰে তেওঁলোকক মান্য শব্দবোৰ লিখাত সহায় কৰি দিলে। ইয়াৰ পাছত তেখেতে মূল গীতটোৰ সামগ্ৰিকভাৱে অৰ্থ উদ্ধাৰ কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত প্ৰশ্ন এৰি দিলে। দুটা দলত ভাগ কৰা ছাত্ৰ-ছাত্ৰীসকলে আলোচনাৰ মাজেৰে অৰ্থসমূহ উদ্ধাৰ কৰিবলৈ সক্ষম হৈছিল। শ্ৰীপাঠক ছাৰে তেওঁলোকক সহযোগ কৰি দিছিল।

এইবাৰ পাঠক ছাৰে গীতটোত থকা ক্ৰিয়া পদসমূহ বাছি উলিয়াবলৈ দিলে আৰু সেইবোৰ ‘ক’ দলক বোৰ্ডত লিখিবলৈ দিলে। তেনেদৰে ‘খ’ দলক সেই বোৰ্ডত লিখা শব্দবোৰৰ সমাৰ্থক শব্দ মান্যভাষাত লিখিবলৈ দিলে। পাঠক ছাৰে দুয়োটা দলকে সহায় কৰি দিলে।

এইবাৰ ‘খ’ দলক গীতটোৰ ভিতৰত থকা বিশেষ্যপদ সমূহ বাছি উলিয়াই ব’ৰ্ডত লিখিবলৈ দিলে। ‘ক’ দলক সেই বিশেষ্য শব্দবোৰৰ মান্যৰূপ লিখিবলৈ দিলে। তলৰ ২ নং তালিকাত দিয়া উদাহৰণটো চালে কথাটো বুজিবলৈ সহজ হ’ব।

| ২ নং তালিকা | |
|---|---|
| **বিশেষ্য পদ** | **মান্যভাষাৰ** |
| নুন | লোণ, নিমখ |
| টাকা | টকা |
| টকান | টাঙোন |
| গাও | শৰীৰ |
| কড়ি | শামুকৰ খোলা |

ছাত্ৰ-ছাত্ৰীসকলে এনেদৰে জড়িত হৈ আৰু কামৰূপী সংস্কৃতিৰ লগত পৰিচিত হৈ খুব আনন্দ অনুভৱ কৰিলে। তেওঁলোকে ভাষাৰ বৈশিষ্ট্যবোৰ বুজিবলৈ সক্ষম হ’ল।

তেখেতে অসমীয়া ভাষাৰ গঠনত উপভাষাসমূহৰ অৱদানৰ বিষয়ে কওঁতে — 'নাওখেলৰ গীত', আইসবাহৰ গীত, 'আই নাম', 'টোকাৰী গীত', 'গৰখীয়া গীত', 'ত্ৰিনাথ গীত', 'হাউ খেলাৰ গীত', 'বুলবুলী যুঁজৰ গীত' আদিৰ উদাহৰণ দাঙি ধৰে। তেখেতে বুজাই দিলে যে, লোকগীতসমূহ অনাখৰী গ্ৰাম্যলোকৰ এক অপূৰ্ব সৃষ্টি। এই গীতবোৰ যে যুগ-যুগ ধৰি মুখে মুখে বাগৰি আহি স্থান-কাল ভেদে নতুন শব্দৰ সংযোজন, সংশোধন, সংবৰ্দ্ধন আদি হৈ আজিৰ ৰূপ পাইছে তাৰ বিশদ বিবৰণ দাঙি ধৰিলে।

পাঠক ছাৰে উপভাষাত থকা শব্দবোৰৰ মান্য ভাষাত কেনে অৰ্থ হ'ব আৰু প্ৰতিটো গীতৰে অন্তৰালত যে এটা গ্ৰাম্য জীৱনৰ ছবি আছে তাৰ কথা বুজাই ক'লে। তেখেতে পাঠ্যপুথিত থকা ১৫ নং পাঠটোৰ গীতটোৰ সকলো শব্দৰে মান্যৰূপ বিচাৰি উলিয়াই ছাত্ৰ-ছাত্ৰীসকলক লিপিবদ্ধ কৰিবলৈ দিলে। ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলে কেৱল শব্দাৰ্থই নহয়, আনকি উপভাষাসমূহৰ বৈয়াকৰণিক গঠনো জানিব পাৰিলে। তেখেতে ছাত্ৰ-ছাত্ৰীসকলক থলুৱা গীত-মাতৰ প্ৰতিও আগ্ৰহী কৰি তুলিছিলে।

***বিঃদ্ৰঃ শ্ৰেণীকোঠাত বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীক তেখেতে বিশেষ গুৰুত্ব দিছিল।***

**চিন্তাকৰি চাওঁ আহক ঃ**

- ⇨ পাঠক ছাৰে ছাত্ৰ-ছাত্ৰীসকলক লোক-সংগীতৰ প্ৰতি আকৰ্ষিত কৰিবলৈ কি পদক্ষেপ লৈছিল?
- ⇨ ছাত্ৰ-ছাত্ৰীসকলে উপভাষাৰ লগত মান্যভাষাৰ সংযোগ ঘটাবলৈ কি ব্যৱস্থা লৈছিল?
- ⇨ উপভাষাৰ গীতৰ প্ৰতি আকৰ্ষণ সৃষ্টি কৰিবলৈ শব্দসমূহৰ বিশেষ্য পদ বা ক্ৰিয়াপদ বিচাৰি কৰা অনুশীলনী সমৰ্থনযোগ্য নে?
- ⇨ অসমত থলুৱা গীত মাতত ব্যৱহাৰ হোৱা শব্দসমূহে ভাষালৈ কি অৱদান আগবঢ়াইছে?

শ্ৰীপাঠক ছাৰৰ দৰে আমিও এনে ক্ৰিয়া-কলাপ কৰি চাব পাৰোঁ —

**ক্ৰিয়া-কলাপ ঃ ১**

ছাত্ৰ-ছাত্ৰীক উপভাষা আৰু মান্য ভাষাত ব্যৱহাৰ হোৱা ৰূপবোৰ শিকাবলৈ ক্ৰিয়া-কলাপ যুগুতাব পাৰি —

**সামগ্ৰী**

- ⇨ পাঠ্যপুথি (অংকুৰণ ষষ্ঠভাগ)।
- ⇨ উপভাষাৰ গীত সংগ্ৰহ (গোৱালপৰীয়া লোকগীত)।
- ⇨ উপভাষাৰ শব্দসমূহৰ পৰা বিশেষ্য পদ আদিৰ মান্য ৰূপৰ এখন চাৰ্ট।

ছাত্ৰ-ছাত্ৰীসকলক উপভাষা আৰু মান্যভাষাৰ প্ৰভেদ আৰু তাৰ ভিতৰত থকা বৈয়াকৰণিক দিশবোৰ শিকাবলৈ এটি পৰিকল্পনা কৰিব পাৰি। 'মহো-হো' গীতটো ছাত্ৰ-ছাত্ৰীয়ে যাতে সহজে আয়ত্ত কৰিবলৈ পাৰে তাৰ বাবে শিক্ষকে তলত দিয়া ক্ৰিয়া-কলাপটো কৰি চাব পাৰে। প্ৰথমে ছাত্ৰ-ছাত্ৰীসকলক চাৰিটা দলত ভাগ কৰি ল'ব। ক, খ, গ, আৰু ঘ দলক একেলগে 'মোহ-হো' গীতটো সমস্বৰে গাবলৈ দিব। শিক্ষকে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে যাতে গীতটো শুদ্ধ আৰু স্পষ্ট উচ্চাৰণেৰে গায় তাৰ প্ৰতি লক্ষ্য ৰাখিব।

শিক্ষকে 'ক' দলক গীতটোৰ ভিতৰত থকা বিশেষ্যপদবোৰ বাছি উলিয়াবলৈ দিব আৰু 'খ' দলক সেইবোৰৰ মান্যৰূপ উদ্ধাৰ কৰিবলৈ দিব। শিক্ষকে তেওঁলোকক মূল পাঠটোৰ বিশেষ্য পদবোৰ বাছি উলিওৱাত সহায় কৰিব। এতিয়া 'ক' দলৰ শব্দসমূহ দলনেতাই বোৰ্ডত লিখি দিব। 'খ' দলে সেইবোৰৰ মান্য ৰূপ আলোচনাৰ মাধ্যমেদি ক'ব আৰু তেওঁলোকৰ দলপতিয়ে সেইবোৰ বোৰ্ডত লিখি দিব। আনবোৰ দলে এই কামত সহযোগ কৰিব। এতিয়া সকলো দলে নিজৰ বহীত যথাৰ্থ মান্যৰূপবিলাক বোৰ্ডৰ পৰা চাই লিখি ল'ব।

এইবাৰ 'গ' দলক গীতটোত থকা পদবোৰত কি বিভক্তি যুক্ত হৈছে সেইবোৰ বোৰ্ডত লিখিবলৈ দিব আৰু 'ঘ' দলে সেইবোৰৰ মান্যৰূপৰ বিভক্তিবোৰ বিপৰীত ফালে বোৰ্ডত লিখি উলিয়াব। এই ক্ষেত্ৰত সকলো দলে আলোচনা মৰ্মে শব্দবোৰৰ বিভক্তিৰ শুদ্ধ প্ৰয়োগ আৰু মান্য ভাষাত তাৰ পৰিৱৰ্তন নিৰীক্ষণ কৰি

শুদ্ধ ৰূপত লিখি উলিয়াব। শিক্ষকে এই ক্রিয়া-কলাপটোত সূত্ৰধাৰৰ কাম কৰিব।

'ঘ' দলক গীতটোত থকা শব্দবোৰ লৈ একো একোটা বাক্য ৰচনা কৰি সেইবোৰ বোৰ্ডত লিখিবলৈ দিব। আন দলৰ ছাত্ৰ-ছাত্ৰীসকলে বাক্য ৰচনাত অংশগ্ৰহণ কৰিব। শব্দবোৰ হ'ব — চক্‌চকীয়া, চিক্‌মিকীয়া, শিকি, সীৰলু, টোঙোন।

শিক্ষকে উপভাষাৰ সংগীতৰ মাজেৰে মান্য ভাষাত শব্দ সম্ভাৰ বঢ়াবলৈ এটা গোৱালপৰীয়া গীত পৰিৱেশন কৰিব পাৰে। ইয়াৰ দ্বাৰা শ্ৰেণীকক্ষ আনন্দদায়ক হোৱাই নহয়, উপভাষাৰ মহত্ত্বও ছাত্ৰ-ছাত্ৰীসকলে উপলব্ধি কৰিব পাৰিব।

তলত গীতটো দিয়া হ'ল —

ও জীৱন ৰে, জীৱন ছাড়িয়া নাযাইস্ মোকে,
তুই জীৱন ছাড়িয়া গেইলে
আদৰ কৰিবে কে জীৱন ৰে।
কচুৰ পাতাৰ জল যেমন ৰে
জীৱন টল-মল-টল-মল কৰে।
ওই মত মাইন্‌ষেৰ জীৱন
কোন দিন ঢলিয়া পৰে জীৱন ৰে।
ধান কাটে ধানুৱা ভাই ৰে
জীৱন, ছাড়িয়া কাটে নাৰা
ওই মতন নৰেৰ দেহা
জীৱন গেইলে মৰা জীৱন ৰে।
দুনোজনে যুক্তি কৰিয়া ৰে
ও জীৱন, আসিলং ভবেৰ হাটে।
তুই জীৱন ছাড়িয়া নাযাইস্
নিধুৱা পাথাৰে জীৱন ৰে।

এই গীতটো শিক্ষকে সুৰ লগাই গাই সকলো ছাত্ৰ-ছাত্ৰীকে গাবলৈ অনুপ্ৰাণিত কৰিব। ছাত্ৰ-ছাত্ৰীসকলে গীতৰ ভাষা, সুৰৰ মূৰ্চনাৰে শ্ৰেণীটো উপভোগ কৰি উপভাষাৰ জ্ঞান লাভ কৰিব।

**সাৰাংশ ঃ**

- ⇨ ছাত্ৰ-ছাত্ৰীসকলে উপভাষা আৰু মান্যভাষাৰ মাজত থকা শব্দসমূহৰ প্ৰভেদ জানিব আৰু সেইবোৰৰ মান্যভাষাত হোৱা পৰিৱৰ্তন জানিব পাৰিব।
- ⇨ উপভাষাত থকা পদ, বিভক্তি, ক্রিয়া আদিৰ ব্যৱহাৰ আৰু মান্যভাষাত তাৰ পৰিৱৰ্তনবোৰ জানিব পাৰিব।
- ⇨ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত উপভাষাত থকা উপাদানৰ লগত পৰিচয় হ'ব আৰু তাৰ গীত-মাতবোৰ চৰ্চা কৰি আনন্দ উপভোগ কৰিব।
- ⇨ উপভাষাৰ চৰ্চাৰ মাজেদি সামাজিক ঐক্য স্থাপনত সহায়ক হ'ব।

**দৃঢ়ীকৰণ ঃ**

ছাত্ৰ-ছাত্ৰীসকলৰ শিকন দৃঢ়ীকৰণৰ বাবে তলৰ প্ৰশ্নবোৰ কৰিব —

- ⇨ 'মহো-হো' গীত আদি স্থানীয় উপভাষাৰ গীত সমূহত থকা শব্দ সমূহৰ মান্য ৰূপ সংগ্ৰহ কৰিব।
- ⇨ স্থানীয় উপভাষাত থকা গীত, পদবোৰ অধ্যয়ন কৰি সামাজিক বন্ধন দৃঢ় কৰাৰ লগতে সেই ভাষাৰ

বৈয়াকৰণিক প্ৰণালীৰ লগত পৰিচয় হ'বলৈ তেনে গীত সংগ্ৰহ কৰিব।

- ⇨ স্থানীয় উপভাষাত থকা বিশেষ্যপদ, ক্ৰিয়াপদ, বিভক্তি আদি বিচাৰি উলিয়াবলৈ দিব।
- ⇨ অভিধান চাই শব্দবোৰৰ যথাৰ্থতা নিৰ্ণয় কৰিব।

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলন ঃ**

- ⇨ 'মহো-হো' গীতত ব্যৱহাৰ কৰা দুবিধ কৃষি সঁজুলিৰ নাম লিখা।
- ⇨ গীতটোত ব্যৱহাৰ হোৱা বিশেষ্য পদ, ক্ৰিয়া পদ, বিশেষণ পদ আদিৰ এখন তালিকা প্ৰস্তুত কৰি তাৰ বিপৰীতে সেইবোৰৰ মান্যৰূপ/মান্যবিভক্তিৰ চিনবোৰ আলোচনা কৰি লিখা।
- ⇨ তলত দিয়া শব্দবোৰৰ অৰ্থ লিখা —

| **শব্দ** | **অৰ্থ** |
|---|---|
| টকান | |
| দিলাক | |
| মাকোক | |
| কইৰ্লু | |
| দেইখ্বা | |
| মাইৰবা | |

- ⇨ তোমালোকৰ অঞ্চলত প্ৰচলিত হৈ থকা দুটা স্থানীয় লোক-সংগীত সংগ্ৰহ কৰা।

**প্ৰসঙ্গ পুথি ঃ**

- ⇨ পাঠ্যপুথি — অংকুৰণ (অষ্টম শ্ৰেণী)
- ⇨ লোকগীত সংগ্ৰহ।
- ⇨ অসমীয়া ব্যাকৰণ জ্যোতি।
- ⇨ ভাষা আৰু ভাষা চিন্তা।
- ⇨ চন্দ্ৰকান্ত অভিধান।
- ⇨ ভাষাৰ ইতিহাস - সুকুমাৰ সেন।

*****